# NSD NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 8-11-2025

**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*

## ***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত উচ্চতম ন্যায়ালয়ত আয়োজিত আইনী সাহায্য ব্যৱস্থা শক্তিশালী কৰাৰ বিষয় সন্দৰ্ভৰ ৰাষ্ট্ৰীয় সন্মিলন মুকলি কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু এংগোলা আৰু ৰটছৱানা ভ্ৰমণলৈ ৰাওনা হৈছে।

৩। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি অসমৰ গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে।

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে গুৱাহাটীৰ লাচিত ঘাটত কাইলৈ আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

*আৰু*

৫। ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে টি-২০ ক্ৰিকেট শৃংখলা হস্তগত কৰিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত উচ্চতম ন্যায়ালয়ত আয়োজিত আইনী সাহায্য ব্যৱস্থা শক্তিশালী কৰাৰ বিষয় সন্দৰ্ভৰ ৰাষ্ট্ৰীয় সন্মিলন মুকলি কৰে। প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় ন্যায়িক সেৱা প্ৰাধীকৰণ চমুকৈ নালচাই প্ৰস্তুত কৰা সমূহীয়া ধ্যান প্ৰশিক্ষণ পাঠ্যক্ৰমো মুকলি কৰে। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী কয়, যে সামাজিক আৰু বিত্তিয় পৃষ্ঠভূমি নিৰ্বিশেষে প্ৰত্যেকে ন্যায় লাভ কৰিলেহে সামাজিক ন্যায় সুনিশ্চিত কৰিব পৰা যাব। তেওঁ লগতে স্থানীয় ভাষাত আইনী নথি উপলব্ধ কৰোৱাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। ন্যায় ব্যৱস্থাটো অধিক সূচল কৰি তোলাৰ বাবে চৰকাৰে যোৱা কেইটামান বছৰত ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। তেওঁ কয়, যে চৰকাৰে আইনী সজাগতা সৃষ্টিত গুৰুত্ব আৰোপ কৰি আহিছে।

সমাৱেশত অংশগ্ৰহণ কৰি আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কয়, যে ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধীকৰণে নাগৰিকসকলক প্ৰয়োজনৰ সময়ত আইনী সাহায্য আৰু সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সমাজত একেবাৰে শেষৰজন ব্যক্তিৰ বাবেও ন্যায় সহজলক্ষ্য কৰি তোলাৰ উদ্দেশ্যে দেশত টেলী ল এণ্ড লিগেল ছাৰ্ভিছ অৰ্থাৎ দূৰ সংযোগ ব্যৱস্থাৰে আইনী সেৱাৰ লেখীয়া উদ্যম ৰূপায়ণ কৰা হৈছে বুলি শ্ৰী মেঘৱালে মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ২০১৭ চনত আৰম্ভ কৰা এই ব্যৱস্থাৰ অধীনত সমগ্ৰ দেশৰ এক কোটিতকৈও অধিক হিতাধিকাৰীয়ে মোকৰ্ডমাৰ পূৰ্বে পৰামৰ্শ লাভ কৰিছে। তেওঁ লগতে কয়, যে ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ অধীনত আইনী সাহায্যৰ কামকাজৰ বাবে বাজেটত ধাৰ্য্য কৰা ধন চলিত বিত্তীয় বৰ্ষত চাৰিশ কোটি টকালৈ বৃদ্ধি কৰা হৈছে।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু এংগোলা আৰু ৰটছ্ৱানা ভ্ৰমণলৈ ৰাওনা হৈছে। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত আজি নিশাৰ ভাগত শ্ৰীমতী মুৰ্মু এংগোলাত উপস্থিত হ'ব। উল্লেখযোগ্য যে ভাৰতীয় ৰাষ্ট্ৰপতিৰ এয়া হৈছে প্ৰথম এংগোলা আৰু বটছ্ৱানা ভ্ৰমণ। ভ্ৰমণৰ সময়ছোৱাত অহা ১৩ নৱেম্বৰলৈ এংগোলা, বটছ্ৱানা আৰু ভাৰতৰ মাজৰ বৰ্তমানৰ দ্বিপাক্ষীক সম্পৰ্কৰ বিষয়ে পৰ্যালোচনা চলোৱাৰ লগে নতুন নতুন দিশ হ'ব পৰা সাম্ভব্য সহযোগিতাৰ বিষয়ে আলোচনা কৰা হ'ব। বাণিজ্য, প্ৰতিৰক্ষা, স্বাস্থ্য, আন্তঃগাঁথনি আৰু জনসম্পৰ্ক আদি বিভিন্ন বিষয়ত আলোচনা হোৱাৰো সম্ভাৱনা আছে। বটছ্ৱানাৰ সৈতে চিথা প্ৰকল্পৰ অগ্ৰগতি সন্দৰ্ভতো আলোচনা হোৱাৰ কথা। ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমতী মুৰ্মুৱে এংগোলাৰ ৰাষ্ট্ৰপতি জোৱাও লৰেনকোৰ সৈতে দ্বিপাক্ষীক আলোচনাত মিলিত হোৱাৰ লগতে এংগোলাৰ সংসদক সম্বোদন কৰিব। তেওঁ দেশখনৰ ৫০ সংখ্যক স্বাধীনতা দিৱসৰ অনুষ্ঠানত ভাগ ল'ব। বটছ্ৱানা ভ্ৰমণৰ সময়ত শ্ৰী মতী মুৰ্মু দেশখনৰ ৰাষ্ট্ৰপতি দুমা বোকোৰ সৈতে দ্বিপাক্ষীক স্বাৰ্থ জড়িত বিভিন্ন বিষয়লৈ আলোচনা কৰিব।

0000000

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি অসমৰ গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। ৪১৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বিশ্ববিদ্যালয়খন প্ৰযুক্তি আধাৰিত বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় হ'ব। ৭৩১ বিঘা ভূমিত নিৰ্মাণ কৰিবলৈ লোৱা বিশ্ববিদ্যালয়খনত দুহেজাৰ গৰাকী শিক্ষাৰ্থীৰ বাবে শৈক্ষিক ভৱন, এহেজাৰ ৬২০ গৰাকী শিক্ষাৰ্থীৰ বাবে হোষ্টেল, ৭২টা আবাসিক ভৱন, অতিথিশালা তথা শিক্ষাৰ্থীৰ সা-সুবিধা কেন্দ্ৰ থাকিব। বিশ্ববিদ্যালয়খনত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, চাইবাৰ সুৰক্ষা, কোৱাণ্টাম কম্পিউটিং, এনিমেচন আৰু গ্ৰাফিক্‌ছ, ড্ৰোণ আৰু নেভিগেচন প্ৰযুক্তি, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ব। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত আৰু গহপুৰৰ বিধায়ক উৎপল বৰা উপস্থিত থাকে।

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে গুৱাহাটীৰ খানাপাৰাত নিৰ্মীয়মান জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ পৰিদৰ্শন কৰে। ৫ হাজাৰ আসনযুক্ত প্ৰেক্ষাগৃহটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে ই পূব ভাৰতৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব।

0000000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে গুৱাহাটীৰ লাচিত ঘাটত কাইলৈ আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানৰ অংশ হিচাপে দুপৰীয়া চাৰে ১২ বজাৰ পৰা দিনৰ দুই বজালৈ এয়াৰ শ্ব' অৰ্থাৎ যুদ্ধ বিমানৰ উৰণ কৌশল প্ৰদৰ্শন কৰা হ'ব। কেন্দ্ৰীয়ভাৱে আয়োজিত এই এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদি ৭৫ খন বিমানে ভাগ ল'ব। এই এয়াৰ শ্ব' উপভোগৰ বাবে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধাশ্ৰমৰ আবাসীসকলক আমন্ত্ৰণ জনোৱা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ সতী ৰাধিকা উদ্যানৰ পৰা ইচ্ছুক ব্যক্তিসকলে ফ্লাইং শ্ব' চাব পাৰিব। জনসাধাৰণে সুবিধা অনুযায়ী গুৱাহাটীৰ নিজৰ ঘৰৰ পৰাও এই শ্ব'টো উপভোগ কৰিব পাৰিব। মহানগৰীৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব' চোৱাৰ ব্যৱস্থা কৰা হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উত্তৰাখণ্ডৰ ৰাজ্য গঠনৰ ৰূপালী জয়ন্তী উপলক্ষে আয়োজিত এটা অনুষ্ঠান অংশগ্ৰহণ কৰাৰ উদ্দেশে কাইলৈ ডেৰাডুণলৈ যাব। ভ্ৰমমকালত প্ৰধানমন্ত্ৰীয়ে এটা স্মাৰক ডাক টিকট মুকলি কৰিব আৰু এখন সমাবেশত ভাষণ দিব।

শ্ৰীমোদীয়ে লগতে ৯৩০ কোটিৰো অধিক ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব আৰু ৭ হাজাৰ ২০০ কোটিৰো অধিক টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া এলানি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহ খোৱা পানী যোগান, জল সিঞ্চন, কাৰিকৰী শিক্ষা, শক্তি, নগৰ উন্নয়ন, ক্ৰীড়া আৰু দক্ষতা বিকাশৰ সৈতে জৰিত। ভ্ৰমনকালত শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত ২৮ হাজাৰৰো অধিক কৃষকৰ বেংক একাউণ্টলৈ ৬২ কোটি টকা হস্তান্তৰ কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে বিজেপিৰ প্ৰবীণ নেতা লাল কৃষ্ণ আদৱানীক তেওঁৰ ৯৮ সংখ্যক জন্ম দিন উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে আদৱানীৰ সু-স্বাস্থ্য আৰু দীৰ্ঘজীৱন কামনা কৰে। প্ৰধানমনন্ত্ৰীয়ে আদৱানীক দেশৰ প্ৰগতিৰ বাবে জীৱন উৎসৰ্গা কৰা এগৰাকী ভৱিষ্যদৰ্শী আৰু বিচক্ষণ নেতা বুলি অভিহিত কৰে। তেওঁ কয় যে শ্ৰী আদৱানীয়ে নিস্বাৰ্থ কৰ্তব্য আৰু দৃঢ় সিদ্ধান্তৰ আদৰ্শ অনুসৰণ কৰি আহিছে। শ্ৰী আদৱানীৰ অৱদানে ভাৰতবৰ্ষৰ গণতান্ত্ৰিক আৰু সাংস্কৃতিক প্ৰেক্ষাপটত মচিব নোৱাৰা চাপ পেলাইছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। উপৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে বিচক্ষণ নেতা আৰু দেশৰ গণতান্ত্ৰিক যাত্ৰাৰ পথ প্ৰদৰ্শক শক্তি হিচাপে শ্ৰীআদৱানিক প্ৰশংসা কৰে। তেওঁ কয় যে শ্ৰীআদৱানীয়ে ৰাষ্ট্ৰৰ প্ৰগতি, একতা আৰু সাংস্কৃতিক সমন্বয়ৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছে। বৰ্ণিল কৰ্মজীৱনত শ্ৰীআদৱানিয়ে ভৱিষ্যদৰ্শী নেতৃত্ব আৰু ৰাজহুৱা সেৱাৰ প্ৰতি গভীৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ পৰিচয় দিয়া বুলি উপৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। শ্ৰীৰাধাকৃষ্ণনে কয় যে তেওঁৰ অৱদানে ভাৰতৰ ৰাজনৈতিক, সামাজিক আৰু সাস্কৃতিক প্ৰেক্ষাপটক আকাৰ দিছে।

০০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ মুক্ত বাণিজ্য চুক্তিৰ চতুৰ্থ পৰ্যায়ৰ আলোচনা সম্পূৰ্ণ হৈছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰ্যালয়ে জনোৱা মতে পাঁচ দিন ধৰি চলা এই আলোচনাত সামগ্ৰী আৰু সেৱা, অৰ্থনৈতিক সহযোগিতা আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। মন্ত্ৰ্যালয়ে জনোৱা মতে এই আলোচনা যথেষ্ট ফলপ্ৰসূ আৰু ইতিবাচক আছিল। দেশ দুখনে এটা শক্তিশালী আধুনিক আৰু সন্তুলিত বাণিজ্যিক সহযোগিতা গঢ়ি তোলাৰ বাবে সহমত প্ৰকাশ কৰিছে। এটা বিবৃতিত মন্ত্ৰ্যালয়ে কৈছে যে কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেল আৰু নিউজিলেণ্ডৰ বাণিজ্য মন্ত্ৰী টোড মেকলেই এই সিদ্ধান্ত আদৰণি জনাইছে। তেওঁলোকে কৈছে যে, এই চুক্তিয়ে উভয় দেশৰ মাজৰ বাণিজ্য, বিনিয়োগ বৃদ্ধি, যোগান শৃংখলা শক্তিশালী কৰাৰ লগতে বজাৰৰ উপলব্ধতা প্ৰদান কৰিব। এই প্ৰস্তাৱিত চুক্তিয়ে কৃষি, খাদ্য প্ৰসংস্কৰণ, নৱীকৰণ যোগ্য শক্তি, ভেষজ, শিক্ষা আৰু সেৱা আদি ক্ষেত্ৰত নতুন সুযোগ সৃষ্টি কৰিব।

০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত আজি ব্ৰীছবেনৰ গাববাত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। ভাৰতে চাৰি অভাৰ আৰু ৫ টা বলত এটাও উইকেট নেহেৰুওৱাকৈ ৫২ ৰান সংগ্ৰহ কৰা অৱস্থাত বৰষুণে খেলখনত বিধি পথালি দিয়ে। সেই সময়ত শুভমন গীলে ২৯ আৰু অভিষেক শৰ্মাই ২৩ ৰান কৰি খেলি আছিল। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াৰ অধিনায়ক মিছেল মাৰ্ছে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। আজিৰ খেলখন পৰিত্যক্তে ঘোষণা কৰাৰ সুবাদত ভাৰতে ২-১ ফলাফলেৰে শৃংখলা দখল কৰে। উল্লেখযোগ্য যে কানবেৰাত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলো বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হৈছিল।

০০০০০০০

সমাপ্ত